# বিজ্ঞান বাৰ্তা

2024

**ASSAM SCIENCE SOCIETY**

Vol-2 | March – April | a Bimonthly news letter

# BIGYAN BARTA




কেন্দ্ৰীয় সমিতিৰ বা-বাতৰি

অৰ্ধ শতিকাতকৈও অধিক কালজোৰা এক গৌৰৱোজ্জ্বল অধ্যায়...









Phone :+9160013-99315 E_Mail: gsass2014@gmail.com

শাখাৰ খবৰ বাতৰি

BIGYAN BARTA




# বিজ্ঞান বাৰ্তা

Vo!-2 | March – April | a Bimonthly news letter

অসম বিজ্ঞান সমিতিৰ দুমহীয়া নিউজ লেটাৰ (ইংৰাজী আৰু অসমীয়াত)

বৰ্ষ ১ : ২য় সংখ্যা : মাৰ্চ – এপ্ৰিল , ২০২৪

EDITORIAL BOARD

**Advisors :**

Kshiradhar Baruah
Basanta Deka
Dr. Abani Kumar Bhagabati
Dr. Jaideep Baruah
Abhijit Sarma Borua

**Chief Editor :**
Nirud Kumar Borah

**Editor :**
Pankaj Kumar Boruah

**Members:**
Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Hiranya Kr. Nath
Prodip Mahanta

***Graphics and design*:**
Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society, Khanapara,
Jawahar Nagar, Guwahati
781022

## বিজ্ঞান বাৰ্তাৰ লক্ষ্য আৰু উদ্দেশ্য:

- কেন্দ্ৰীয় সমিতি আৰু শাখা সমূহৰ কাম-কাজৰ বাৰ্তা প্ৰকাশ কৰা
- বৈজ্ঞানিক মৌলিক চিন্তা- চৰ্চা ৰ উন্মেষ ঘটোৱা....

## সম্পাদকীয় — EDITORIAL

অসম বিজ্ঞান সমিতিৰ দুমহীয়া ই আলোচনী ই-বাৰ্তাৰ দ্বিতীয় সংখ্যালৈ সকলোকে স্বাগতম জনাইছোঁ। বিজ্ঞানৰ অবিৰত যাত্ৰাত আমিও সমানে খোজ মিলাই আগ বাঢ়িব লাগিব। সমাজৰ বহুতেই বিজ্ঞান বুলিলে বহুতেই পৰীক্ষাগাৰৰ বিজ্ঞানকে বুজে। আমি পৰীক্ষাগাৰৰ বিজ্ঞান যে জনহিতৰ বাবেই অৰ্পিত এই কথা সমাজক বুজায় কোৱাৰ প্ৰয়োজন আছে। কিন্তু এই বুজোৱাৰ দ্বায়িত্ব ল'ব কোনে ? অসমৰ নিচিনা ৰাজ্য এখন য'ত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ অতি চালুকীয়া অৱস্থাত আছে , তাত মুষ্টিমেয় কেইজন মানুহে সমাজক বিজ্ঞান শিক্ষাৰে আগুৱাই লৈ যোৱা অতি দুৰুহ কাম। তথাপি অসম বিজ্ঞান সমিতিৰ সভ্য সকলে নিজৰ সুখ দুখৰ কথা নাভাবি , সমাজ খন আগুৱাই লৈ যোৱাৰ স্বাৰ্থতে কাম কৰি আছে। ইয়াৰ প্ৰমাণ ই - বাৰ্তাৰ প্ৰতিটো পৃষ্ঠাতে উপলব্ধ হৈ আছে। বিজ্ঞান প্ৰসাৰৰ এই কামত নিয়োজিত সকলো বিজ্ঞান কৰ্মীলৈ এই আপাহতে সম্পাদনা কক্ষৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। অসম বিজ্ঞান সমিতিৰ কাম কাজে সমাজৰ প্ৰতিটো স্তৰৰেই উন্নতি সাধন কৰক এই আশাৰে , এই সংখ্যাটি আপোনালোকলৈ আগবঢ়ালো।

ধন্যবাদেৰে

নিৰোদ কুমাৰ বৰা
পঙ্কজ কুমাৰ বৰুৱা

## বাতৰি



দৈনন্দিন বাৰ্তা

১১ মাৰ্চ, ২০২৪ ■ সোমবাৰ ■

# অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখাৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ১০ মাৰ্চ : অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক অধিৱেশন কালি উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত অনুষ্ঠিত হৈ যায়। অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ সভাপতি থানেশ্বৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদিকা বৃন্দালি দেৱীয়ে। সভাত শাখাৰ বাৰ্ষিক হিচাপ নিকাচৰ খতিয়ান দাঙি ধৰে সমিতিৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক ড° অভিজিৎ বৰুৱাই। সমিতিৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰি শাখাৰ সম্পাদিকা বৃন্দালি দেৱীয়ে বিগত বৰ্ষত বিভিন্ন স্থানত অনুষ্ঠিত হৈ যোৱা অনুষ্ঠানৰ বিষয়ে আলোকপাত কৰে। দেৱীয়ে লগতে অনুষ্ঠানসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাত সহায় সহযোগিতা আগবঢ়োৱা বাবে সমিতিৰ সভাপতিকে ধৰি সমিতিৰ সমূহ বিষয়ববীয়াকে ধন্যবাদ জ্ঞাপন কৰে। সভাত ভাষণ দি শাখাৰ কাৰ্যকৰী সভাপতি প্ৰভাত শৰ্মাই ভাষণ আগন্তুক অসম বিজ্ঞান সমিতিৰ অধিৱেশনখন চলিত বৰ্ষৰ মে' মাহত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত ছাত্ৰ ছাত্ৰী আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত অৱগত কৰে। সভাত শাখাৰ প্ৰতিষ্ঠাপক যুটীয়া সাধাৰণ সম্পাদক ৰঞ্জন গোস্বামী, প্ৰতিষ্ঠাপক সদস্য উৎপল বেজবৰুৱা, ড° হৃপেশ চৌধুৰী, ড° মালচী চৌধুৰী, ড° শিখা কাশ্যপ, কৃষ্ণৰাম শইকীয়া, নিৰ্মালী শইকীয়া, ড° সৌৰভ কলিতা, ড° শিখা ৰাণী কাকতি, অশোক দত্ত, ধীৰেশ্বৰ বড়ো, গৌৰী কান্ত কাকতি, আই আই টি গুৱাহাটীৰ জ্যেষ্ঠ অধ্যাপক ড° অৰুণ বৰশইকীয়াৰ লগতে শাখাৰ ন-পুৰণি ভালেসংখ্যক সদস্য উপস্থিত আছিল।

An awareness campaign " Drive Against Superstition" among Self Help Groups members at Dandua (Puranibarigaon), Morigaon



An awareness campaign " Drive Against Superstition" among Self Help Groups members at Dandua ( Puranibarigaon), Morigaon

মৰিগাঁও শাখা

16-3-2024






https://fb.watch/qRvmSv6La0/?mibextid=Nif5oz

https://fb.watch/qSfVSuXv9w/?mibextid=Nif5oz

## ডিব্ৰুগড় শাখা




ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সহযোগত আৰু ডিব্ৰুগড় ৰেডকৰছ্ বিভাগৰ উদ্যোগত দুখন বিদ্যালয়ৰ স্বাস্থ্যৰ পৰীক্ষা আৰু দন্তৰ বিশেষ চিকিৎসা কৰোৱা হয়। ইয়াৰ উপৰিও অসম চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষকগোট



আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ কেন্সাৰ ইন্সটিটিউটৰ উদ্যোগত আৰু ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সহযোগত কেন্সাৰৰ আছিল।সজাগতা সভা অনুষ্ঠিত কৰা হয়। দন্ত আৰু কেন্সাৰৰ সজাগতা সভা দুখন ক্ৰমে মানকটা হাইস্কুলত আৰু পাৰিজাত






বি এড একাডেমীত অনুষ্ঠিত কৰা হয়। দুই খন সভাতেই ছাত্ৰ - ছাত্ৰী, অভিভাৱক আৰু স্থান য় ৰাইজৰ উপস্থিতি যথেষ্ট পৰিমাণে আছিল।



খানাপাৰা 17-3-2024

# ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা






https://www.facebook.com/share/v/6Pv2J86bKuKGR5H2/?mibextid=jmPrMh

## খানাপাৰা











## উত্তৰ গুৱাহাটী শাখা

20-3-2024

অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশন ২০২৩-২৪ বৰ্ষৰ কৰ্ণধাৰ সমিতিৰ মাননীয় সদস্যসকল ক্ৰমে সৰ্বশ্ৰী থানেশ্বৰ শৰ্মা, প্ৰভাত শৰ্মা, অশোক দত্ত, পাৰ্থ প্ৰতীম বৰকাকতি আৰু বৃন্দালি দেৱীয়ে অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰী হেমন্ত চৌধুৰী ডাঙৰীয়া আৰু ব্যক্তিগত সহায়ক শ্ৰী ৰঞ্জিত ভট্ট ডাঙৰীয়াসকলক দিছপুৰত সাক্ষাৎ কৰে আৰু ২৬ মে ২০২৪ ত মহাবিদ্যালয় প্ৰাংগনত অনুষ্ঠিত কৰিব লগা আগন্তুক বাৰ্ষিক অধিবেশন সম্পৰ্কে আলোচনা কৰে আৰু তেখেত সকলৰ উপস্থিতি আৰু সহায় সহযোগ বিচাৰে। লগতে উত্তৰ গুৱাহাটীত দেখা দিয়া জ্বলন্ত সমস্যা যেনে কৃত্ৰিম বানপানী আৰু বান্দৰৰ সমস্যা আলোচনা কৰে আৰু সমাধানৰ বাবে ব্যৱস্থা লবলৈ পৰামৰ্শ আগ বঢ়ায়। লগতে Look East Policy ৰ লগত সংগতি ৰাখি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে যেনে বিদেশ ভ্ৰমণ, উচ্চ শিক্ষা বা গৱেষণাৰ বাবে, ব্যৱসায় বাণিজ্যৰ বাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা বিদেশলৈ

সমস্যা যেনে কৃত্ৰিম বানপানী আৰু বান্দৰৰ সমস্যা আলোচনা কৰে আৰু সমাধানৰ বাবে ব্যৱস্থা লবলৈ পৰামৰ্শ আগ বঢ়ায়। লগতে Look East Policy ৰ লগত সংগতি ৰাখি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে যেনে বিদেশ ভ্ৰমণ, উচ্চ শিক্ষা বা গৱেষণাৰ বাবে,

ব্যৱসায় বাণিজ্যৰ বাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা বিদেশলৈ যাবলৈ গুৱাহাটী বা উত্তৰ গুৱাহাটীত এটি VFS Global ৰ ভিছা কেন্দ্ৰ স্থাপন কৰাৰ বাবে ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে। তেখেতসকলে ও আমাৰ পৰামৰ্শ গুৰুত্ব সহকাৰে ব্যৱস্থা লোৱাৰ বাবে প্ৰয়াস কৰিব বুলি আশ্বাস দিয়ে।



## পিছলা শাখা

25-3-2024



অসমীয়া প্ৰতিদিন

পিছলা শাখা বিজ্ঞান সমিতিৰ উদ্যোগ

নাৰায়ণপুৰত বিশ্ব জল দিৱস উদযাপন



স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

নাৰায়ণপুৰৰ পিছলা শাখা বিজ্ঞান সমিতিৰ বিশ্ব জল দিৱস উদযাপন




Celebration of
WORLD WATER DAY-2024
বিশ্ব জল দিবস - ২০২৪ উদযাপন
By
Assam Science Society, Pichala Branch
In collaboration with
Kherajkhat College, Deotola
Venue: Kherajkhat College, Deotola
Date: 22 March, 2024 • Time: 1:30 PM


WORLD WATER DAY-2024
Assam Science Society, Pichala Branch
2024.03.22 15:15





## ডাউন টাউন বিশ্ববিদ্যালয় শাখা

ডাউন টাউন বিশ্ব বিদ্যালয়ত অনুষ্ঠিত হোৱা অসম বিজ্ঞান সমিতিৰ 68 সংখ্যক কাৰিকৰী অভিবেশনৰ কেইখন মান স্থিৰ চিত্ৰ । অভিবেশনত মুঠ 112 খন গৱেষণা পত্ৰ উপস্থাপন হয়








## ডাউন টাউন বিশ্ববিদ্যালয় শাখা








## Obituary



অসম বজ্ঞান সমিতি পাটাছাৰকুছি শাখাৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি ,বৰ্তমানৰ উপদেষ্টা অনিল কুমাৰ দাসৰ যোৱা ১৫ মাৰ্চত পথ দূৰ্ঘটনাত পতিত হৈ G N R C মৃত্যু হয় ! তেখেতলৈ শ্ৰদ্ধাঞ্জলি জনালোঁ...

## বাতৰি

21-April



# মাৰ্চত ঢকুৱাখনাত ৰাজ্যিক অধিৱেশন

# বকো শাখা

অসম বিজ্ঞান সমিতি, বকো শাখাৰ উদ্যোগত আৰু বকো সংগীত মহাবিদ্যালয় আৰু আৰোগ্যম্ - যোগা কেন্দ্ৰৰ সহযোগত বিশ্ব স্বাস্থ্য দিৱস, ২০২৪ আজি বকো সংগীত মহাবিদ্যালয়ত উদ্‌যাপন কৰি স্বাস্থ্য সজাগতাৰ প্ৰয়াস কৰা হয়। বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম বিজ্ঞান সমিতি, বকো শাখাৰ জ্যেষ্ঠ আজীৱন সদস্য অৱসৰপ্ৰাপ্ত শিক্ষক নগেন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে বকো শাখাৰ সম্পাদক পৱিত্ৰ কৈৱৰ্ত্তই।




ইয়াতে ভাৰত স্বাভিমান ট্ৰাষ্ট, কামৰূপৰ প্ৰভাৰী তথা অসম বিজ্ঞান সমিতি, বকো শাখাৰ জ্যেষ্ঠ আজীৱন সদস্য অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক গৌৰাংগ ঠাকুৰীয়াই বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি 'মোৰ স্বাস্থ্য, মোৰ অধিকাৰ ' মূল বিষয়বস্তুৰ লগত সংগতি ৰাখি স্বাস্থ্য সজাগতাৰ এক মনোজ্ঞ আলোচনা আগবঢ়ায় আৰু কণ্ঠ থিক কৰিবলৈ যোগৰ উপকাৰিতা উপস্থিত ব্যক্তিসকলক বুজাই দিয়ে । আৰোগ্যম্ - যোগা কেন্দ্ৰৰ সমল শিক্ষক চানু থাপাই যোগা - প্ৰাণায়ম কেইটিমান উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক শিকাই ইয়াৰ উপকাৰিতা ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানটিত সংগীত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীৰ লগতে পৰিচালনা সমিতিৰ সভাপতি হিৰণ্য নাথ, সম্পাদক দীপক তামূলী, তবলা শিক্ষক ধন্যজিৎ ৰাভা আৰু কৃষ্ণ দাস, কণ্ঠ বিভাগৰ শিক্ষক দেৱীৰাম বড়ো, আৰোগ্যম্‌ৰ পৰিচালিকা জৰা পাঠক ডেকা, দেৱজিৎ দাস , বিপ্লৱ ৰাভা, জেউতি জেউতি কলিতাসহ বহুতো অভিভাৱক -অভিভাৱিকা ।





https://www.facebook.com/share/nAWVkdh7cpzR1fM7/?mibextid=xfxF2i

https://m.facebook.com/story.php?story_fbid=pfbid029ZhKoP1tCdFyuL19tFcDLRbSgna6kYCqewdryuFwfc6B3C8y4AYjzrHYSXsKc6vrl&id=100092725971454&sfnsn=wiwspwa&mibextid=RUbZ1f

8-4-2024

“অসম বিজ্ঞান সমিতি” আৰু “SEBA” ৰ যুটীয়া প্ৰচেষ্টাত হ'ব লগা নবম আৰু দশম মানৰ বিজ্ঞান আৰু গণিতৰ প্ৰশিক্ষণৰ মুখ্য সমল ব্যক্তিৰ লগত SEBA কাৰ্যালয়ত আলাপ 8-4- 2024 আজি SEBA ৰ অধ্যক্ষ আৰ,চি, জৈনদেৱৰ আমন্ত্ৰণ ক্ৰমে অধ্যক্ষৰ কোঠাত আগন্তুক মে মাহৰ দ্বিতীয় সপ্তাহত অনুষ্ঠিত কৰিব খোজা নৱম আৰু দশম শ্ৰেণীৰ গণিত আৰু বিজ্ঞানৰ শিক্ষকৰ এটি প্ৰশিক্ষণ বিজ্ঞান সমিতিৰ জৰিয়তে অনুষ্ঠিত কৰিবলৈ দায়িত্ব দিয়ে । আমি সমিতিৰ সভাপতি আৰু প্ৰধান সচিবৰ লগতে বিজ্ঞান শিক্ষা উপ মিতিৰ আহ্বায়ক প্ৰদ্যুম্ন গোস্বামী আলোচনাত উপস্থিত থাকোঁ -- *নিৰোদ কুমাৰ বৰা*













*From left :* Mr. Chandra Barman, Mr. Ghanashyam Medhi, Dr. Munindra Kr. Mazumder, Dr. Nityajyoti Kalita, Dr. Barnali Sarma, Mrs. Gitanjali Devi, Dr. Ramcharan Deka, Dr. Arun Mahanta, Dr. Pradumna Goswami, Prof. Bhim Prasad Sharma, Mr. Holiram Hazarika, Mr. Nirud Kumar Borah, Dr. Dhireswar Kalita, Dr. Chinta Moni Sharma, Mr. Dilip Kumar Bora, Mr. Mrinal Kumar Hazarika, Mr. Pankaj Dutta, Dr. Ratul Kumar Nath.

## গোহাৰি

BRANCH Present Pre & Secy, ASS নামৰ whatsApp group ত শাখা ৰ খবৰৰ ফটোবোৰ HD quality কৰি পঠাব আৰু লগতে অনুষ্ঠানটিৰ বিষয়ে চুটিকৈ টাইপ কৰি লিখি পঠাব যাতে আমি বিজ্ঞান বাৰ্তাত ভালকৈ প্ৰকাশ কৰিব পাৰোঁ। ধন্যবাদ।

### আহ্বান

**অসম বিজ্ঞান সমিতিৰ সদস্যসকলৰ জ্ঞাতাৰ্থে**

অসম বিজ্ঞান সমিতিৰ বৰ্তমানৰ নিয়মানুসৰি অসম বিজ্ঞান সমিতিৰ সাধাৰণ সদস্য আৰু আজীৱন সদস্য হোৱা প্ৰতিজন ব্যক্তিকে প্ৰথম বছৰৰ বাবে এই সমিতিৰদ্বাৰা প্ৰকাশিত বিজ্ঞান আলোচনী 'বিজ্ঞান জেউতি' বিনামূলীয়াকৈ দিয়া হ'ব। তাৰ পাছৰ প্ৰতিটো বছৰতে তেওঁলোকে আধা মূল্যত এই আলোচনীখন লাভ কৰিব। এই ক্ষেত্ৰত কিছু খেলি-মেলি হোৱা বাবে বহু ইচ্ছুক সদস্যই 'বিজ্ঞান জেউতি' লাভ কৰিব পৰা নাই। তেওঁলোকে নিজস্ব শাখাৰ সম্পাদকৰ জৰিয়তে অসম বিজ্ঞান সমিতিৰ মূল কাৰ্য্যালয়লৈ এবছৰৰ বাবে আধা বৰঙণি (১৩৫ টকা) পঠিয়াই দিয়ে যেন। তেখেতসকলে যাতে নিয়মীয়াভাবে 'বিজ্ঞান জেউতি' লাভ কৰে, সমিতিৰ মুখ্য কাৰ্য্যালয়ৰপৰা সেই ব্যৱস্থা লোৱা হ'ব।

প্ৰধান সচিব, অসম বিজ্ঞান সমিতি
খানাপাৰা, গুৱাহাটী

## জাতীয় বিজ্ঞান পুঁজি

### এটি অনুৰোধ

সদাশয় ব্যক্তিসকলে অসম বিজ্ঞান সমিতিৰ আৰ্থিক উন্নতিৰ বাবে তলৰ একাউণ্টত দান-বৰঙনি আগবঢ়ায় যেন—

ASSAM SCIENCE SOCIETY
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C No. 5605774347
IFS CODE: CBIN0284213

অসম বিজ্ঞান সমিতিয়ে এনে দান-বৰঙনিৰ বাবে ৰচিদ প্ৰেৰণ কৰিব।

প্ৰধান সচিব, অসম বিজ্ঞান সমিতি
জৱহৰনগৰ, খানাপাৰা, গুৱাহাটী